জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...দ্বাবিংশতিতম বছৰ, সংখ্যা ৩১৯ ● বৃহস্পতিবাৰ ● ১৩ শাওণ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday July 30, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা ...

## ...ংবাদ মাধ্যমৰ ...ন'লে ৰাইজে

## প্ৰধানমন্ত্ৰী অসমলৈ অহাটো খুবেই প্ৰয়োজন ঃ বৰষাৰাণী



তেজপুৰ ঃ বিশেষ প্ৰতিনিধি, ২৯ জুলাই ঃ নিৰ্বাচনী প্ৰচাৰৰ সময়ত দুবাৰ-তিনিবাৰকৈ অসম ভ্ৰমণ কৰা প্ৰধানমন্ত্ৰীগৰাকী ৮ পিঠিলৈ

## কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অত্যাধুনিক ভৱন উদ্বোধন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৯ জুলাই ঃ 'স্বায়ত্তশাসিত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নাই। স্বায়ত্তশাসিত মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয় অসমৰ বহু বিশ্ববিদ্যালয়তকৈ উচ্চ পৰ্যায়ৰ। মহাবিদ্যালয়খনে সংযোজন কৰা প্ৰযুক্তিবিদ্যা, ১১ পিঠিলৈ



## ...এদিনৰ বাবে অসম ভ্ৰমণৰ দাবী অজাপৰ

গুৱাহাটী ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৯ জুলাই ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ বান পৰিস্থিতি কি সেই কথা অনুধাৱন কৰিবলৈ এদিনৰ বাবে অসম ভ্ৰমণৰ দাবী জনাইছে অসম জাতীয় পৰিষদে। আজি প্ৰধানমন্ত্ৰীলৈ ই-মেইলযোগে প্ৰেৰণ কৰা স্মাৰক-পত্ৰত ক্ষতিগ্ৰস্ত ১১ পিঠিলৈ

MA...
MA Ed...
Registration for Ad...
is going on at Dr. Anita...
Nagar, Guwahati-24. ...
For online Registration...
https://octopod.co.i...
b155de2cbfe05550/7...
For details, please...
For admission into M...
Please visit the GUCD...
https://gucdoe.gauhat...
Contact- 8876...

